**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-07-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। দেশে আজি ডিজিটেল ভাৰত কাৰ্যসূচীৰ ১০ বছৰ পূৰ্তি উদযাপন কৰিছে। প্ৰযুক্তিৰ ব্যৱহাৰেৰে শাসন ব্যৱস্থাৰ উন্নতি আৰু সকলো নাগৰিকৰ দৈনন্দিন জীৱন সহজ কৰি তোলাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ চনত এই কাৰ্যসূচী মুকলি কৰিছিল।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাৰতৰ ফাইভ জি ব্যৱস্থা হৈছে বিশ্বৰ আটাইতকৈ খৰতকীয়া ব্যৱস্থাৰ অন্যতম আৰু মাত্ৰ দুবছৰতে ইয়াৰ বাবে চাৰি লাখ ৮১ হাজাৰ কেন্দ্ৰ স্থাপন কৰা হৈছে।

৩। দেশজুৰি আজি চিকিৎসক দিৱস আৰু চাৰ্টাৰ্ড একাউনটেণ্ট দিৱস উদযাপন কৰা হৈছে।

৪। শ্ৰোতাৰ আদৰৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৭৮ বছৰত ভৰি দিছে।

আৰু

৫। তেলেংগানৰ চাংগাৰেড্ডী জিলাৰ পাচমাইলাটমৰ ঔষধ প্ৰস্তুত কৰা কাৰখানাত সংঘটিত বিস্ফোৰণত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৫ লৈ বৃদ্ধি হৈছে।

০০০০০০০

দেশে আজি ডিজিটেল ভাৰত কাৰ্যসূচীৰ ১০ বছৰ পূৰ্তি উদযাপন কৰিছে। প্ৰযুক্তিৰ ব্যৱহাৰেৰে শাসন ব্যৱস্থাৰ উন্নতি আৰু সকলো নাগৰিকৰ দৈনন্দিন জীৱন সহজ কৰি তোলাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ চনত এই কাৰ্যসূচী মুকলি কৰিছিল। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে আজি দেশে এটা ঐতিহাসিক দিন উদযাপন কৰিছে, কাৰণ এই দিনটোতে ডিজিটেল ভাৰতৰ এটা দশক সম্পূৰ্ণ হৈছে। তেওঁ কয়, যে ভাৰতক ডিজিটেলৰ ক্ষেত্ৰত সবল কৰি তোলাৰ লগতে প্ৰযুক্তিগতভাৱে আগবঢ়া সমাজ প্ৰতিষ্ঠাৰ উদ্দেশ্যে এই কাৰ্যসূচী আৰম্ভ কৰা হৈছিল। এটা দশক পাছত দেশে সবলীকৰণৰ নতুন যুগত অৱতীৰ্ণ হৈছে আৰু ডিজিটেল ভাৰতে দেশৰ অগণন জনতাক স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ডিজিটেল লেনদেনৰ ক্ষেত্ৰত ভাৰতে অভিলেখ স্পৰ্শ কৰিছে আৰু এয়া ১৪০ কোটি ভাৰতীয়ৰ সামূহিক প্ৰচেষ্টাৰ ফলতে সম্ভৱ হৈ উঠিছে। স্বাস্থ্য আৰু শিক্ষাৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডক ডিজিটেল লেনদেন ব্যৱস্থাই প্ৰচুৰ লাভান্বিত কৰিছে বুলিও শ্ৰী মোদীয়ে উল্লেখ কৰে।

বিগত ১০ বছৰত ডিজিটেল ভাৰত কাৰ্যসূচীয়ে দেশৰ ডিজিটেল ক্ষেত্ৰখনক নতুন মাত্ৰা দিছে। এই কাৰ্যসূচীৰ অধীনত বহু দুৰ্গম গাঁৱত ইণ্টাৰনেট সংযোগ স্থাপন হৈছে, প্ৰশাসন অধিক স্বচ্ছ হৈ উঠিছে আৰু উদ্ভাৱন তথা অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত নতুন নতুন সুবিধাৰ সৃষ্টি হৈছে। ভাৰতত সম্প্ৰতি অভিলেখ সংখ্যক ডিজিটেল লেনদেন পৰিলক্ষিত হয়। তদুপৰি ইয়াৰ বাবেই গ্ৰাম্য আৰু নগৰ অঞ্চলত খৰতকীয়াভাৱে ইণ্টাৰনেটৰ সম্প্ৰসাৰণ হৈছে। তদুপৰি দেশে কৃত্ৰিম বুদ্ধিমত্তা আৰু অৰ্ধ পৰিবাহীৰ দৰে অত্যাধুনিক প্ৰযুক্তিতো চকুত লগাকৈ উন্নতি সাধন কৰিছে। ইয়াৰ ফল হিচাপে দেশত বিস্তাৰিত আৰু ভৱিষ্যত উপযোগী এটা ডিজিটেল ব্যৱস্থা গঢ় লৈ উঠিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাৰতৰ ফাইভ জি ব্যৱস্থা হৈছে বিশ্বৰ আটাইতকৈ খৰতকীয়া ব্যৱস্থাৰ অন্যতম আৰু মাত্ৰ দুবছৰতে ইয়াৰ বাবে চাৰি লাখ ৮১ হাজাৰ কেন্দ্ৰ স্থাপন কৰা হৈছে। ডিজিটেল ভাৰত কাৰ্যসূচীৰ ১০ বছৰ উপলক্ষে এটা ব্লগত শ্ৰী মোদীয়ে কয়, যে দেশত সম্প্ৰতি তীব্ৰ বেগী ইণ্টাৰনেট ব্যৱস্থাই নগৰীয়া অঞ্চলৰ লগতে গালৱান, চিয়াচেন আৰু লাডাখৰ দৰে দুৰ্গম অঞ্চলৰ সামৰিক চকীসমূহকো সামৰি লৈছে। প্ৰধানমন্ত্ৰীয়ে ইউ পি আই ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰি কয়, যে দেশত প্ৰতিবছৰে ১০

হাজাৰ কোটি লেনদেন হয় আৰু এয়া হৈছে সমগ্ৰ বিশ্বতে হোৱা সামগ্ৰিক ডিজিটেল লেনদেনৰ আধা অংশ। তেওঁ উল্লেখ কৰে যে ২০১৪ চনত ভাৰতত প্ৰায় ২৫ কোটি ইণ্টাৰনেট সংযোগ আছিল আৰু বৰ্তমান এই সংখ্যাই ৯৭ কোটি অতিক্ৰম কৰিছে। শ্ৰী মোদীয়ে লগতে কয়, যে ভাৰতৰ ডিজিটেল অৰ্থনীতিয়ে ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ উদ্যোগৰ লগতে ক্ষুদ্ৰ ব্যৱসায়ীসকলক অভূতপূৰ্ব সহায় কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে ডিজিটেল ভাৰত কাৰ্যসূচীয়ে প্ৰযুক্তিৰ ব্যৱহাৰ খৰতকীয়া কৰি তোলাৰ লগতে ভাৰতক গোলকীয় ডিজিটেল শক্তিকেন্দ্ৰত পৰিণত কৰিছে। ডিজিটেল ভাৰতৰ ১০ বছৰ পূৰ্তি উপলক্ষে শ্ৰী শ্বাহে কয়, যে স্বাস্থ্যৰ পৰা শিক্ষালৈ, ব্যৱসায়ৰ পৰা বাণিজ্যলৈ প্ৰতিটো ক্ষেত্ৰকে ডিজিটেল ব্যৱস্থাই সৰলীকৰণ কৰিছে আৰু এটা বহনক্ষম ডিজিটেল অৰ্থনীতিৰ বিকাশ সাধন কৰিছে।

০০০০০০০০০

দেশজুৰি আজি চিকিৎসক দিৱস আৰু চাৰ্টাৰ্ড একাউনটেণ্ট দিৱস উদযাপন কৰা হৈছে। সু-চিকিৎসক বিধান চন্দ্ৰ ৰায়ে মানৱ সেৱা তথা চিকিৎসা ক্ষেত্ৰলৈ আগবঢ়াই যোৱা অনবদ্য অৱদানৰ প্ৰতি সন্মান জনাই আজিৰ দিনটো সমগ্ৰ দেশতে চিকিৎসক দিৱস হিচাপে পালন কৰি অহা হৈছে।

চিকিৎসক দিৱস আৰু চাৰ্টাৰ্ড একাউন্টেণ্ট দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কঠোৰ পৰিশ্ৰমী চিকিৎসক আৰু চাৰ্টাৰ্ড একাউনটেণ্টসকলক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে চিকিৎসকসকল হৈছে স্বাস্থ্যৰ প্ৰকৃত ৰক্ষক আৰু মানৱতাৰ প্ৰতিভূ। তেওঁ কয়, যে ভাৰতৰ স্বাস্থ্য আন্তঃগাঁথনি সবল কৰি তোলাত চিকিৎসকসকলৰ অৱদান নিতান্তই শলাগিবলগীয়া। আন এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে স্বচ্ছতা আৰু সম্পূৰ্ণতা ৰক্ষা কৰি চাৰ্টাৰ্ড একাউণ্টেণ্ট সকলে দেশৰ সবল অৰ্থনীতি গঠনত অৱদান যোগাই আহিছে। যোৱা দেওবাৰে আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কৈছিল যে চিকিৎসক আৰু চাৰ্টাৰ্ড একাউণ্টেণ্ট সকল হৈছে সমাজৰ স্তম্ভস্বৰূপ আৰু তেওঁলোকে নাগৰিকৰ জীৱন সহজ কৰি তোলাত সহায় কৰে।

০০০০০০০০০

শ্ৰোতাৰ আদৰৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৭৮ বছৰত ভৰি দিছে। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি পুৱা বিভাগটোৰ লবীত কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ স্থাপন কৰে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰকেইখন আজি আনুষ্ঠানিকভাৱে অনাবৰণ কৰা হয়। অষ্ট সপ্ততিতম্ প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠান অনুষ্ঠিত হয়।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত 'ওপজা দিনৰ সুবাস' শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। প্ৰতিষ্ঠা দিৱসৰ প্ৰাক্ সন্ধিয়া আকাশবাণী গুৱাহাটীৰ কক্ষসমূহৰ দুৱাৰমুখ কালি ৰং-বিৰঙী বেলুনেৰে সজাই তোলাৰ লগতে সন্ধিয়ালৈ আলোকসজ্জাৰ ব্যৱস্থা কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটীৰ প্ৰাচীৰ পত্ৰিকা **আকাশী স্পন্দন**ৰ ষষ্ঠ বৰ্ষৰ একাদশ সংখ্যা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হ'ব। **আকাশী স্পন্দন**ৰ এইবাৰৰ সংখ্যা গণশিল্পী দিলীপ শৰ্মাৰ জন্ম শতবৰ্ষ বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হ'ব। আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিবিধ ভাৰতী শাখাত অসমীয়া অনুষ্ঠানৰ প্ৰচাৰ পুনৰ আৰম্ভ কৰিছে। শ্ৰোতাসকলে ১০০ দশমিক ৮ মেগাহাৰ্টজত এই শাখাৰ অনুষ্ঠানসমূহ শুনিব পাৰিব। ইয়াৰ উপৰিও আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই সাদিনীয়া নাট মহোৎসৱৰ আয়োজন কৰিছে। নাট শৃংখলাত আজি সূৰ্যৰ পৰিচালনাত ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ **ৰাৱন** শীৰ্ষক নাটকখন প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত আয়োজন কৰা **ওপজা দিনৰ সুবাস** অনুষ্ঠানটো ইয়াৰ মহাবাহু শাখাত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই

পোনপটীয়াকৈ প্ৰচাৰৰ বাবে আমাৰ আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি সন্ধিয়া ৬ বাজি ২০ মিনিটত প্ৰচাৰিত হ'ব।

০০০০০০০

দূৰসংযোগ বিভাগে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত বৰ্তমান এটা নতুন ম'বাইল সতৰ্কতা ব্যৱস্তাৰ পৰীক্ষা কৰি আছে। এই ব্যৱস্থাই দেশৰ জনসাধাৰণক সঠিক সময়ত জৰুৰীকালীন সতৰ্কতা প্ৰেৰণ কৰাত সহায় কৰিব। চেল ব্ৰডকাষ্ট চিষ্টেম নামৰ এই নতুন ব্যৱস্থাৰ জৰিয়তে প্ৰাকৃতিক দুৰ্যোগ বা চুনামি ভূমিকম্প গেছ নিৰ্গমন, ৰাসায়নিক বিক্ৰিয়া আদিৰ দৰে জৰুৰী পৰিস্থিতিৰ দ্বাৰা প্ৰভাৱিত অঞ্চলসমূহৰ জনসাধাৰণৰ ম'বাইল ফোনত ততালিকে সতৰ্কবাণী প্ৰেৰণ কৰিব পৰা যাব। দূৰসংযোগ বিভাগৰ টেলিমেটিক্‌ছ বিকাশ কেন্দ্ৰই এই ব্যৱস্থা বিকশাই তুলিছে। সমগ্ৰ দেশতে চেল ব্ৰডকাষ্ট চিষ্টেমৰ পৰীক্ষণ ব্যৱস্থা চাৰি সপ্তাহলৈ চলি থাকিব। এই সময়ছোৱাত জনসাধাৰণে নিজৰ ম'বাইল ফোনত পৰীক্ষণ বাৰ্তা লাভ কৰিব পাৰে।

০০০০০০০০০

তেলেংগানৰ চাংগাৰেড্ডী জিলাৰ পাচমাইলাটমৰ ঔষধ প্ৰস্তুত কৰা কাৰখানাত সংঘটিত বিস্ফোৰণত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৫ লৈ বৃদ্ধি হৈছে। আৰক্ষীয়ে এতিয়ালৈ মাত্ৰ ১১ টা মৃতদেহ চিনাক্ত কৰিবলৈ সমৰ্থ হৈছে। উদ্ধাৰ অভিযান কৰ্তৃপক্ষই জনাইছে যে ১৬ জন শ্ৰমিক এতিয়াও ধবংসস্তুপত আৱদ্ধ হৈ আছে। এন ডি আৰ এফ আৰু এছ ডি আৰ এফ আৰু এছ ডি আৰ এফৰ সহযোগত ২৪ ঘণ্টাই উদ্ধাৰ অভিযান অব্যাহত আছে। বেয়াই অগ্নিদগ্ধ হোৱা চিকিৎসাধীন ৩৫ জন শ্ৰমিকৰ ১২ জনৰ অৱস্থা সংকটজনক আঘাতপ্ৰাপ্ত শ্ৰমিকসকলৰ প্ৰায়ভাগেই ওড়িশা, উত্তৰ প্ৰদেশ আৰু বিহাৰৰ বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰী ৰেৱনাথ ৰেড্ডীয়ে আজি দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰে। তেওঁ সামগ্ৰিক পৰিস্থিতি সন্দৰ্ভত সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰাৰ লগতে চিকিৎসাধীন শ্ৰমিকসকলৰ স্বাস্থ্যৰ বুজ লয়।

০০০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মহিলা দলৰ মাজত চলি থকা পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ব্ৰিষ্টলৰ কাউণ্টি খেলপথাৰত অনুষ্ঠিত হ'ব। নটিংহামৰ ট্ৰেণ্ট ব্ৰীজত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে ঘৰুৱা দলটোক ৯৭ ৰানৰ ব্যৱধানত পৰাস্ত কৰি ইতিমধ্যে ১-০ অগ্ৰগতি লাভ কৰিছে। খেলখনত স্মৃতি মান্ধানাই টি-২০ আন্তঃৰাষ্ট্ৰীয় খেলত নিজৰ প্ৰথমটো শতক অৰ্জন কৰিছিল। ইয়াৰ সুবাদত খেলুৱৈগৰাকীয়ে টেষ্ট, এদিনীয়া আৰু টি-২০- এই আটাইকেইটা সংস্কৰণতে শতক অৰ্জন কৰা ভাৰতৰ প্ৰথমগৰাকী মহিলা ক্ৰিকেট খেলুৱৈ হিচাপে পৰিগণিত হয়।

০০০০০০০০০

সমাপ্ত